**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-06-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। অহা আগষ্টৰ প্ৰথম সপ্তাহৰ পৰা হিতাধিকাৰীসকলে অৰুণোদয় আঁচনিৰ ধন পুনৰ নিয়মিতভাৱে লাভ কৰিব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যক লোকভৱনত সৌজন্যমূলক সাক্ষাৎ।

৩। ৰাজ্যৰ কৃষি খণ্ডক অধিক শক্তিশালী কৰি কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ লক্ষ্যৰে কৃষিমন্ত্ৰী পিযুষ হাজৰিকাৰ পৰ্যালোচনা বৈঠক।

৪। বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন ঠাইত ৰক্তদান শিবিৰৰ আয়োজন। **আৰু**

৫। টি-২০ মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত আৰু পাকিস্তান মুখামুখি।

০০০০

অহা আগষ্টৰ প্ৰথম সপ্তাহৰ পৰা হিতাধিকাৰীসকলে অৰুণোদয় আঁচনিৰ ধন পুনৰ নিয়মিতভাৱে লাভ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে আজি ফেচবুক লাইভযোগে এই কথা প্ৰকাশ কৰে। তদুপৰি সুলভ মূল্যত চেনী, ডাইল আদিও আগষ্টৰ পৰাই জনসাধাৰণে লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই সন্দৰ্ভত জুলাইত উত্থাপন হ'বলগীয়া পূৰ্ণাংগ বাজেটত সবিশেষ উল্লেখ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

বাইট- মুখ্যমন্ত্ৰী

গুৱাহাটীৰ ৰিং ৰোডৰ নিৰ্মাণকাৰ্য আৰম্ভ হৈছে আৰু কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ নিৰ্মাণৰ বাবে নিবিদা প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। অহা এমাহৰ ভিতৰত নুমলিগড় আৰু গহপুৰৰ মাজৰ ১৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ সুৰংগ নিৰ্মাণৰ বাবে নিবিদা প্ৰক্ৰিয়া অহা মাহৰ ভিতৰত আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তদুপৰি বাইহাটা চাৰিআলিৰ পৰা তেজপুৰৰ মিছন চাৰিআলিলৈকে পথচোৱা ৪ টা লেনযুক্ত কৰাৰ বাবে ইতিমধ্যে মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে আলোচনা কৰিছে বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। এই সাক্ষাৎকালত গুৱাহাটী বিমান বন্দৰৰ পৰা গড়ল, ধাৰাপুৰ চাৰিআলিলৈকে পথছোৱাত এলিভেটেড কৰিডৰ নিৰ্মাণ কৰাৰ বিষয়েও আলোচনা কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে। শিলিগুৰিৰ পৰা শিলচৰ সংযোগী এক্সপ্ৰেছ হাইৱেৰ প্ৰথম পৰ্যায়ত ২৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে শিলচৰৰ পৰা বৰাপানীলৈ এই পথ নিৰ্মাণৰ আধাৰশিলা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্থাপন কৰিছিল। দ্বিতীয় পৰ্যায়ত এই আঁচনিৰ বৰাপানীৰ পৰা গুৱাহাটীলৈ, তৃতীয় পৰ্যায়ত গুৱাহাটীৰ পৰা শ্ৰীৰামপুৰলৈ আৰু চতুৰ্থ পৰ্যায়ত

শ্ৰীৰামপুৰৰ পৰা শিলিগুৰিলৈ সম্প্ৰসাৰণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে কয়। গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈ এটা এক্সপ্ৰেছ্ হাইৱে নিৰ্মাণৰ বিষয়েও চিন্তা চৰ্চা কৰা হৈছে বুলি তেওঁ কয়। উন্নয়নমূলক সকলো কাম-কাজ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ সহায়-সহযোগিতা কামনা কৰে।

oooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যক লোকভৱনত সৌজন্যমূলক সাক্ষাৎ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে ৰাজ্যপালগৰাকীক সকলো ক্ষেত্ৰতে আগবঢ়োৱা সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ড০ শৰ্মাই শ্ৰীআচাৰ্যৰ সৈতে ৰাজ্যখনৰ উন্নয়ন, জনকল্যানকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে লোকভৱনৰ সৈতে সমন্বয় বৰ্তাই ৰাখি আগবাঢ়ি যোৱাৰ বাবে ৰাজ্য চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি গুৱাহাটী মহানগৰীৰ বিভিন্ন গুৰুত্বপূৰ্ণ আন্তঃগাথনি আৰু প্ৰকল্পৰ স্থান পৰিদৰ্শন কৰি কৰ্ম আঁচনিৰ অগ্ৰগতিৰ বুজ লয়।

oooo

ৰাজ্যৰ কৃষি খণ্ডক অধিক শক্তিশালী কৰি কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কৰাৰ লক্ষ্যৰে কৃষিমন্ত্ৰী পিযুষ হাজৰিকাই আজি বিভিন্ন জিলাৰ কৃষি বিষয়া তথা অভিযান্ত্ৰিক কোষৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। এই বৈঠকত কৃষকসকলৰ সমস্যাৰ বুজ লোৱাৰ লগতে কৃষকৰ চৰকাৰী পঞ্জীয়ন বৃদ্ধি কৰাৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়া হয়। তদুপৰি মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি বীজ বিতৰণ, গছ্পুলি আৰু সাৰ বিতৰণৰ বাবে বিশেষ ব্যৱস্থা কৰিবলৈও শ্ৰীহাজৰিকাই নিৰ্দেশ দিয়ে। তেওঁ কৃষি বিভাগৰ বিষয়া কৰ্মচাৰীসকলক সঠিক সময়ত কাৰ্যালয়ত উপস্থিত হোৱাৰ লগতে নিৰ্ধাৰিত সময়ত কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। ১৫ দিনৰ ভিতৰত সকলো জিলা কৃষি বিষয়া, কৃষক উৎপাদক কেন্দ্ৰসমূহলৈ যাব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। তদুপৰি কৃষকক বীজ দেৰিকৈ দিয়া বিষয়াৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে সঁকিয়াই দিয়ে। প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিকে ধৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কৃষি খণ্ডৰ সৈতে জড়িত প্ৰতিখন জনকল্যানমূলক আঁচনি সফল ৰূপায়ণৰ জৰিয়তে কৃষকসকলক উচিত মৰ্যাদা প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি তেওঁ উল্লেখ কৰে। বৈঠকত কৃষিমন্ত্ৰীগৰাকীয়ে কৃষকৰ উপাৰ্জন দুগুণলৈ বৃদ্ধি কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে ফল-মূলৰ খেতি আৰু ৰবি শস্যৰ প্ৰতি কৃষকসকলক আকৰ্ষিত কৰিব লাগিব। এমাহৰ ভিতৰত ৰাজ্যৰ লাখ লাখ খেতিয়কক আনাৰস, বগৰী, আৰু কঠালৰ পুলি দিয়া হ'ব বুলি তেওঁ কয়। অনাগত সময়ত কৃষকৰ পঞ্জীয়ন বৃদ্ধি কৰাৰ লগতে কৃষক উৎপাদক সংস্থাৰ সংখ্যাও বৃদ্ধি কৰাৰ পৰিকল্পনা লোৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। তদুপৰি নতুন প্ৰযুক্তিৰ জৰিয়তে কৃষকক সহায় কৰিব লাগিব বুলিও শ্ৰীহাজৰিকাই উল্লেখ কৰে। অসমৰ কমেও ৫০ শতাংশ খেতিপথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে কয়।

বাইট-হাজৰিকা

oooo

বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন ঠাইত স্বেচ্ছাসেৱী সংস্থাৰ উদ্যোগত ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হয়। ৰক্তদানৰ প্ৰতি বিশ্বজুৰি সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰা হয়। এইবাৰৰ এই দিৱসৰ বিষয় হৈছে— **মানৱতাৰ বাবে এটোপাল, ৰক্তদান কৰক, জীৱন ৰক্ষা কৰক**।

বিশ্ব ৰক্তদাতা দিৱসৰ সৈতে সংগতি ৰাখি আজি ডিফু ক্লাবত ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ডিফু ক্লাৰ মাৰোৱাৰী যুৱ মঞ্চ আৰু সামাজিক সংগঠন স্বপ্নলোক সমাজৰ সহযোগত আয়োজিত এই শিবিৰত বিভিন্ন লোকে স্বেচ্ছাই ৰক্তদান কৰে। এই শিবিৰত ডিফু চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ ৰক্তকেন্দ্ৰৰ চিকিৎসক-কৰ্মচাৰীসকলে সহযোগ কৰে।

দৰঙতো আজি মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ৰক্তকেন্দ্ৰৰ উদ্যোগত স্বেচ্ছামূলক ৰক্তদাতা আৰু ৰক্তদান সংস্থাৰ প্ৰতিনিধিক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ লগতে ৰক্তদান সজাগতামূলক শোভাযাত্ৰা, সভা আদিৰ আয়োজনেৰে বিশ্ব ৰক্তদাতা দিৱস পালন কৰা হয়।

যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পাতালত অনুষ্ঠিত ৰক্তদান শিবিৰত কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা, সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক ৰূপজ্যোতি কুৰ্মীকে ধৰি বিভিন্নজনে অংশগ্ৰহণ কৰে। শ্ৰীমাৰ্ঘেৰিটাই ৰক্তদান কৰা স্বেচ্ছাসেৱকসকলৰ নিঃস্বাৰ্থ সেৱাৰ প্ৰশংসা কৰে। এই দিৱসৰ সৈতে সংগতি ৰাখি যোৰহাট চিকিৎসা মহাবিদ্যালয় পৰিয়াল আৰু ৰুদ্ৰাক্ষী নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানে ৫৬ বাৰকৈ ৰক্তদান কৰা জিলাখনৰ বসন্ত দত্ত নামৰ লোকজনক বিশেষভাৱে সন্মানিত কৰে।

নগাওঁ জিলাৰ শ্বহীদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ উদ্যোগত আৰু মাৰোৱাৰী যুৱ মঞ্চ তথা মাৰোৱাৰী সন্মিলনৰ সহযোগত ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা হয়। ইয়াৰ লগতে ৰক্তদান সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে চিকিৎসালয়খনৰ সভাগৃহত এখন সভাৰো আয়োজন কৰা হয়। এই শিবিৰত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, অৰ্ধসামৰিক বাহিনীৰ জোৱানসকলে ৰক্তদান কৰে। অনুষ্ঠানত অংশ লৈ নগাওঁ-বটদ্ৰৱাৰ বিধায়ক ৰূপক শৰ্মাই ৰক্তদান জীৱন দান আৰু মানৱতাৰ সেৱা বুলি উল্লেখ কৰে। ৰক্তদান সন্দৰ্ভত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো সজাগতামূলক কাৰ্যসূচীৰ আয়োজন কৰিবলৈ বিধায়কগৰাকীয়ে আহ্বান জনায়।

০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত পৰৱৰ্তী সময়ত স্নাতক পাঠ্যক্ৰম ৪ বছৰীয়া হোৱাৰ পাছত শিক্ষাৰ্থীসকল কোনো অসুবিধাৰ সন্মুখীন নহয় বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। কালি মন্ত্ৰীগৰাকীৰ সৈতে গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম মহাবিদ্যালয় অধ্যক্ষ পৰিষদৰ এটা দলে এই বিষয়টো সন্দৰ্ভত আলোচনা কৰে। এই সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে ৪ বছৰীয়া পাঠ্যক্ৰমক লৈ অহেতুক চিন্তাৰ প্ৰয়োজন নাই আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি সুস্থ পৰিকল্পনা মতে আৰু শিক্ষাৰ্থীৰ সুবিধা হোৱাকৈ এই পাঠ্যক্ৰম ৰূপায়ণ কৰা হব। এই অনুসৰি ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰম কৰা সকলে পোনপটীয়াকৈ গৱেষণাত জড়িত হ'ব পাৰিব নাইবা স্নাতকোত্তৰ পাঠ্যক্ৰম গ্ৰহণ কৰিব পাৰিব। কোনো শিক্ষাৰ্থী ইচ্ছুক নহলে চতুৰ্থ বৰ্ষ সম্পূৰ্ণ নকৰাকৈও ডিগ্ৰী লাভ কৰিব পাৰিব বুলি তেওঁ কয়।

বাইট-পেগু

০০০০

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ভাৰত বাংলাদেশ সীমান্তৰ জিৰোলেণ্ডত বিগত প্ৰায় ১৪ ঘণ্টা ধৰি ৯ জন বাংলাদেশী নাগৰিক আবদ্ধ হৈ আছে। তেওঁলোকৰ মাজত দুগৰাকী মহিলা আৰু দুটি শিশু আছে বুলি আমাৰ মানকাচৰৰ সংবাদদাতাই জনাইছে। বাংলাদেশী নাগৰিক কেইজন যোৱা ১০ জুনত দালালৰ সহযোগত অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰাৰ পাছতে আৰক্ষীৰ ওচৰত ধৰা পৰে। ইয়াৰ পাছতে আজি পুৱতি নিশা মানকাচৰৰ সাহাপাৰা বি এছ এফ শিবিৰৰ এলেকাৰে ৩ জন আৰু ঝালোৰচৰ সীমান্তৰে ৬ জন বাংলাদেশী নাগৰিকক বিতাৰণ কৰা হয়।

এই সন্দৰ্ভত দিনৰ ১১ বজাত বি এছ্‌ এফ আৰু বি জি বিৰ  মাজত বৈঠক হয় যদিও ইয়াত কোনো সিদ্ধান্ত নোহোৱাত লোককেইজন সীমান্ততে আৱদ্ধ হৈ থাকিবলগীয়া হয়। বি জি বিয়ে সম্প্ৰতি অবৈধ নাগৰিককেইজনক চমজি নোলোৱাত তেওঁলোক সীমান্তৰ জিৰোলেণ্ডতে আবদ্ধ হৈ আছে।

০০০০

এন ডি এ চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে দেশজুৰি ৰূপায়িত হৈ থকা বিভিন্ন কাৰ্যসূচীৰ সমান্তৰালভাৱে অসমতো ভিন ভিন কাৰ্যসূচী অনুষ্ঠিত হৈছে। ধেমাজি জিলাৰ ঘুগুহা দৌল প্ৰাংগণত বিজেপিৰ মাছখোৱা মণ্ডলৰ উদ্যোগত আজি এই উপলক্ষে স্বচ্ছতা কাৰ্যসূচী ৰূপায়ন কৰা হয়। কাৰ্যসূচীত চিচিবৰ গাঁৱৰ বিধায়ক জীৱন গগৈ, জিলা বিজেপিৰ সম্পাদক প্ৰণৱ দাসকে ধৰি অন্যান্য কৰ্মীসকল উপস্থিত থাকে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত বিশ্বাস, উন্নয়ন আৰু জনকল্যাণৰ ১২ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে মাজুলী জিলাত বিজেপিৰ কৰ্মকৰ্তাসকলে আজি প্ৰগতি পথ যাত্ৰা কাৰ্যসূচী ৰূপায়ন কৰে। গড়মূৰ তিনিআলিৰ পৰা মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ চৌহদলৈ উলিওৱা এই পথ যাত্ৰাত বিজেপিৰ জিলা সভাপতিকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। দেশজোৰা এই অভিযানৰ অংশ হিচাপে শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্যই শিলচৰ বিধান সভা সমষ্টিৰ বিভিন্ন মণ্ডলৰ জ্যেষ্ঠ নাগৰিক, সমাজৰ বিশিষ্ট ব্যক্তি আৰু শুভাকাংশীসকলক সাক্ষাৎ কৰে। যোৰহাট জিলাতো সংখ্যালঘু মৰ্চ্চাৰ উদ্যোগত এন ডি এ চৰকাৰৰ ১২ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি স্বচ্ছতা অভিযান চলোৱা হয়।

০০০০

গুৱাহাটীৰ এটা সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ সৌজন্যত অহা **৫ জুলাইৰ পৰা ১২ জুলাই**লৈ সদৌ অসম ভিত্তিত একাদশ বাৰ্ষিক **গ্ৰীষ্মকালীন অভিনয়, নৃত্য আৰু সাহিত্য চৰ্চা** কৰ্মশালাৰ আয়োজন কৰা হৈছে। এই কৰ্মশালাত বিশিষ্ট নাট্যকাৰ, পৰিচালক, অভিনেতা মৃদুল চুতীয়া, গুণাকৰ দেৱগোস্বামী, সত্যেন শৰ্মা, মৃণাল হাজৈ, মনীষা শৰ্মা, ৰাজু ৰয়, হেৰাম্ব শৰ্মা আৰু জিণ্টু নেৱাৰ প্ৰশিক্ষক হিচাপে থাকিব। কামাখ্যাগেট দুৰ্গা সৰোবৰ বিদ্যাপীঠ প্ৰাঙ্গনত হ'বলগীয়া এই কৰ্মশালা পুৱা চাৰে দহ বজাৰ পৰা আবেলি চাৰে চাৰি বজালৈ অনুষ্ঠিত হ'ব। প্ৰশিক্ষণ শিবিৰত মঞ্চ, চলচ্চিত্ৰ, নৃত্য আৰু সাহিত্যৰ ওপৰত প্ৰশিক্ষণ দিয়া হ'ব। স্নাতক পৰ্যায়ৰ শিক্ষাৰ্থীসকলৰ বাবে ইণ্টাৰ্ণশ্বিপৰ সুবিধা আছে। আবেদনপত্ৰ জমা দিয়াৰ শেষ তাৰিখ ৩ জুলাই। কৰ্মশালাৰ সামৰণি অনুষ্ঠান উপলক্ষে দুখনি নাট মঞ্চস্থ কৰা হ'ব আৰু পঞ্জীয়নভুক্ত প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব।

০০০০

বেংগালুৰুত অনুষ্ঠিত ষষ্ঠ বি চি এ আই ৰাষ্ট্ৰীয় পাঞ্জা চেম্পিয়নশ্বিপত কস্তুৰী শৰ্মাই ২ টা কৈ সোণৰ পদক জয়েৰে ইতিহাস ৰচনা কৰিছে। কস্তুৰীয়ে ৭০ কিল'গ্ৰাম শাখাত বাওঁ আৰু সোঁ দুয়োখন হাতৰ পাঞ্জাতে সোণৰ পদক অৰ্জন কৰে। এই জয়ৰ সুবাদত কস্তুৰী একেৰাহে তৃতীয়বাৰৰ বাবে ৰাষ্ট্ৰীয় চেম্পিয়নৰ খিতাপ জয় কৰা খেলুৱৈ হিচাপে পৰিগণিত হৈছে।

০০০০

আইচিচি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাৰ্মিংহামৰ এজবেষ্টনত হবলগীয়া এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ন হ'ব। খেলখন

ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত  আৰম্ভ হ'ব। মহিলা টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত পাকিস্তানৰ বিৰুদ্ধে সদায় উন্নত প্ৰদৰ্শন কৰি অহা ভাৰতে শেহতীয়া ১৬খন খেলৰ ভিতৰত ১৩খনতে জয়লাভ কৰিছে।

ইপিনে, বিশ্বকাপৰ গ্ৰুপ-বি' এখন খেলত  কালি স্কটলেণ্ডে আয়াৰলেণ্ডক ৪০ ৰানত পৰাস্ত কৰে। স্কটলেণ্ডে  মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত খেলখনত প্ৰথমে  বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৫   টা উইকেট হেৰুৱাই ১৬১ ৰান সংগ্ৰহ    কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে ১৯ অ  'ভাৰ আৰু ১ বলত     আটাইকেইটা উইকেট হেৰুৱাই    ১২১ ৰান হে কৰিবলৈ সমৰ্থ হয়।

০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি গ্ৰুপ ইৰ এখন খেলত জাৰ্মানী-কুৰাছাওৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন আমেৰিকাৰ হিউষ্টনত ভাৰতীয় সময় অনুসৰি নিশা চাৰে দহ বজাত আৰম্ভ হব। দালাচত হ'বলগীয়া আন এখন খেলত আজি নিশা ডেৰ বজাত নেডাৰলেণ্ডছ আৰু জাপান মুখামুখি হ'ব।

ইয়াৰ পূৰ্বে আজি গ্ৰুপ-ডিৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই-তুৰ্কীয়েক ২-০ গ'লত পৰাস্ত কৰি বিশ্বকাপত নিজৰ যাত্ৰা আৰম্ভ কৰে। ইয়াৰ পূৰ্বে আজি পুৱা আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউজাৰ্ছিত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-চিৰ এখন খেলত স্কটলেণ্ডে হাইটিক ১-০ গ'লত পৰাস্ত কৰে।

আজি পুৱতি নিশা চাৰে ৩ বজাত পাঁচবাৰৰ চেম্পিয়ন ব্ৰাজিল আৰু মৰক্কোৰ মাজৰ খেলখন ১-১ গ'লত ড্ৰ' হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ